শিশু আৰু কিশোৰ কিশোৰীৰ মাহেকীয়া আলোচনী

নৱেম্বৰ, ২০১৫

# মুকুতা



# আজন্ম শিল্পী

## (ভূপেন মামাৰ স্মৃতিত)

নিকু কলিতা
দশমমান, শংকৰদেৱ শিশু বিদ্যা নিকেতন,
বাকাইটাৰী, গোৱালপাৰা

তুমি আছিলা আজন্ম শিল্পী
মানৱতাৰ প্ৰেমিক।
তোমাৰ গানৰ টোপালবোৰৰ মাজেৰে
নিঃসৰিছিল অমৃতৰ টোপাল,
ধৰাৰ ইমূৰৰ পৰা সিমূৰলৈ
সমন্বয়ৰ সাঁকো সাজিছিলা তুমি,
ৰঙৰ খনিকৰ আছিলা তুমি,
ৰং বিলাইছিলা জনগণৰ মাজত।
ধৰাত ৰচিছিলা সুৰৰ মায়াজাল
কণ্ঠত অমিয় সুধা লৈ।
সময়ৰ সোণোৱালী বালিত
আজিও অক্ষত তোমাৰ খোজ,
আহ ! কি মোহনীয় তোমাৰ সুৰ,
তোমাৰ কণ্ঠ, তোমাৰ চেতনা।
পিছে..................
তুমি আজি নাই,
আজি সুৰৰ যাদুকৰো নাই,
আজি সুৰৰ মায়াজালো নাই।
সুৰৰ জগতত আজি শূন্যতা বিৰাজমান
বহু গালা, বহু ঘূৰিলা
যাযাবৰী জীৱন যাত্ৰাত
নতুনৰ সপোন ৰচিলা,
বিশ্বত অসমীৰ নাম উজলালা
আৰু বিদায় বেলাত শুই পৰিলা
অসমীৰ শীতল কোলাত,
ধন্য ধন্য শিল্পী তোমাৰ জীৱন।